
পাঠ ৯

I9T8U7

ক্ষ হ্ন হ্ন

# অসমৰ কাঁহ শিল্প



অম্লান আৰু অনন্যাই অসমলৈ ফুৰিবলৈ আহিছে। দেউতাকৰ চাকৰি সূত্ৰে তেওঁলোক অসমৰ বাহিৰতে থাকে। এইবাৰ প্ৰথম তেওঁলোক পেহীয়েকৰ ঘৰলৈ আহিছে। পেহীয়েকৰ ঘৰ সৰ্থেবাৰীত।

শৰৎ কালৰ সন্ধিয়া। ফৰিংফুটা জোনাকত আধাফুলা শেৱালি ফুলবোৰ জিলিকি উঠিছে। ফুলৰ সুবাসে চৌদিশ আমোলমোলাইছে। দূৰৈৰ নামঘৰৰ পৰা বৰকাঁহৰ ঢং ঢং ধ্বনি ভাঁহি আহিছে। অম্লান আৰু অনন্যা পেহাকৰ লগত আগ চোতালতে বহিল। গোটেই পৰিৱেশটো তেওঁলোকৰ বৰ ভাল লাগিল। পেহাকে ঘৰুৱা খা-খবৰ সোধাৰ লগতে তেওঁলোকৰ পঢ়া-শুনাৰো খবৰ ল'লে।

এনেতে পেহীয়েকে আটাইকে ভাত খাবলৈ ভিতৰলৈ মাতি নিলে। বান-কাঁহীত ভাত আৰু কাঁহৰ বাটিত নানা তৰহৰ আঞ্জা বাঢ়ি দিছে। অনন্যাই ভাতৰ কাঁহীখন একেথৰে চাই থকা দেখি পেহাকে সুধিলে— "কি চাইছা অনন্যা?" অনন্যাই ক'লে— "এই বটাখন চাইছোঁ। বটাখন মোৰ বৰ ভাল লাগিছে।" ওচৰতে বৈ থকা পেহীয়েকে হাঁহি মাৰি ক'লে— "এইখন বটা নহয়, বান-কাঁহীহে। এনেকুৱা নানা ধৰণৰ সুন্দৰ সুন্দৰ কাঁহৰ পাত্ৰ পেহাৰাই নিজ হাতে গঢ়িছে। তাৰ বাবে চৰকাৰে তেখেতক পুৰস্কাৰো দিছে।"

পেহীয়েকৰ কথা শুনি অনন্যা আচৰিত হ'ল। তাই ক'লে—"পেহাই ইমান সুন্দৰ সুন্দৰ বস্তু গঢ়িব জানে! কামবোৰো ইমান মসৃণ।" অম্লানেও অনন্যাৰ কথাত হয়ভৰ দি ক'লে— "সচাঁ, আমাৰ পেহাই যে ইমান ভাল কাম কৰিব জানে!" তেওঁলোকৰ কথোপকথন শুনি পেহীয়েকে এফাকি ফকৰা মাতিলে—"হাতৰ নিব, কাণৰ নিব, দহো আঙুলি কোনে নিব?" লগে লগে অনন্যাই পেহীয়েকক ক'লে—"কি ক'লা পেহী, বুজি নাপালোঁ।" এইবাৰ পেহীয়েকে তেওঁলোকক ফকৰা ফাকি বুজাই ক'লে—"শুনাহঁক, মানুহে অৰ্জা টকা-পইচা, ধন-সোণ আদি একেবাৰেই ক্ষণস্থায়ী। অৰ্থাৎ এইবোৰ সদায় নাথাকে। আনে নিব পাৰে, হেৰাই যাব পাৰে। কিন্তু মানুহৰ হাতৰ বিদ্যা সদায় মানুহৰ লগতে থাকে। ইয়াক আনে নিবও নোৱাৰে, নষ্টও কৰিব নোৱাৰে।"



অম্লান অতি কৌতূহলী। তেওঁৰ বুদ্ধিও তীক্ষ্ণ। অম্লানে কৌতূহল দমাব নোৱাৰি পেহাকক সুধিলে— "আপুনি এই কাঁহী-বাটিবোৰ কেনেকৈ গঢ়ে, ক'বনে পেহা?" পেহাকে হাঁহি মাৰি ক'লে— "কাইলৈ পুৱা মই তোমালোকক কঁহাৰশাললৈ লৈ যাম আৰু তাত সকলো দেখুৱাম।"

পাছদিনা পুৱা পিঠা-পনাৰে জলপান খোৱাৰ পাছত পেহাকে অম্লানহঁতক কঁহাৰশাললৈ লৈ গ'ল। কাঁহী, বাটি, লোটা, বান-বাটি, ঘটি, গিলাচ, বটা, বৰ-কাঁহ, ভোৰতাল আদি কেনেকৈ গঢ়ে তেওঁলোকক দেখুৱালে। ডাঙৰ বাটি এটা দেখুৱাই অনন্যাই আচৰিত হৈ সুধিলে— "এই বাটিটো ইমান ডাঙৰ, পেহা!" পেহাকে ক'লে—"অ; এইটো হাতী-খুজীয়া বাটি। এনেকুৱা বাটিত জলপান খায়।" এইবাৰ পেহাকে কাঁহ শিল্পৰ বিষয়ে অম্লানহঁতক বিতংভাৱে বুজাই ক'লে— "কাঁহ এবিধ মিশ্রিত ধাতু। তাম আৰু ৰাং জোখমতে মিহলাই জুইত গলাই কাঁহ তৈয়াৰ কৰা হয়। কঁহাৰশালত নিয়াৰি, হাতুৰী, চেপেনা, কুন্দা, মহী, ভাতী আদি নানা ধৰণৰ সঁজুলি ব্যৱহাৰ কৰি কাঁহৰ বাচন গঢ়া হয়। ইয়াক যিমানেই ব্যৱহাৰ কৰা হয় সিমানে উজ্জ্বল হয়। কাঁহ শিল্প অসমৰ এবিধ লেখত ল'বলগীয়া কুটীৰ-শিল্প।"

**ক্রিয়া-কলাপ** **ক — পাঠভিত্তিক ক্রিয়া**





**পাঠটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া।**



**কোৱা আৰু লিখা।**

(ক) অম্লান আৰু অনন্যা কাৰ ঘৰলৈ ফুৰিবলৈ আহিল?

(খ) অম্লানহঁতৰ পেহীয়েকৰ ঘৰ ক'ত?

(গ) সেই ঠাই কি শিল্পৰ বাবে বিখ্যাত?

(গ) পেহীয়েকে অনন্যাহঁতক ভাত খাবলৈ দিয়া কাঁহীবিধক কি কাঁহী বুলি কয়?

(ঘ) হাতী-খুজীয়া বাটি কি?

(ঙ) কি কি ধাতু মিহলাই কাঁহ তৈয়াৰ কৰা হয়?

(চ) কাঁহেৰে গঢ়া কেইবিধমান বাচন-বৰ্তনৰ নাম লিখা।

(ছ) কঁহাৰশাল মানে কি?

(জ) কঁহাৰশালত ব্যৱহাৰ হোৱা সঁজুলি কেইবিধমানৰ নাম লিখা।



## বৰ্ণনা কৰা।

- শৰৎকালৰ সন্ধিয়াৰ পৰিৱেশ
- বটা আৰু বান-কাঁহীৰ ব্যৱহাৰ



## ভাব বহলাই লিখোঁ আহা

'হাতৰ নিব, কাণৰ নিব, দহো আঙুলি কোনে নিব?'

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

## যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

| | | | | |
|---|---|---|---|---|
| তীক্ষ্ণ | ক্ষ + ণ | ক্ষই | ণই | ক্ষ্ণ |
| প্ৰাহ্ণ | হ + ণ | হই | ণই | হ্ণ |
| অহ্ন | হ + ন | হই | নই | হ্ন |

## যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | |
|---|---|---|---|
| ক্ষ + ণ | ক্ষই | ণই | ক্ষ্ণ |
| হ + ণ | হই | ণই | হ্ণ |
| হ + ন | হই | নই | হ্ন |

পঢ়োঁ আহা


**তীক্ষ্ণ শব্দৰ অৰ্থ চোকা।**

**অম্লান এজন তীক্ষ্ণ বুদ্ধিৰ ল'ৰা।**

**অহ্ন মানে দিন।**

**প্ৰাহ্ণ মানে দুপৰীয়া।**

**প্ৰাহ্ণৰ পৰা সন্ধিয়ালৈ অপৰাহ্ণ।**



তলৰ শব্দসমূহৰ যুক্তাক্ষৰবোৰ ভাঙি দেখুওৱা।

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| কিন্তু | — | ন্তু | ☐ | + | ☐ | + | ☐ |
| সুন্দৰ | — | ন্দ | ☐ | + | ☐ | | |
| বস্তু | — | স্তু | ☐ | + | ☐ | + | ☐ |
| শিল্প | — | ল্প | ☐ | + | ☐ | | |
| স্থায়ী | — | স্থ | ☐ | + | ☐ | | |
| অম্লান | — | ম্ল | ☐ | + | ☐ | | |
| সূত্ৰ | — | ত্ৰ | ☐ | + | ☐ | | |
| সন্ধিয়া | — | ন্ধ | ☐ | + | ☐ | | |
| আজ্ঞা | — | জ্ঞ | ☐ | + | ☐ | | |
| ধ্বনি | — | ধ্ব | ধ | + | ৱ | | |





নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

**বাঁওফালৰ কথাখিনিৰ অৰ্থ সোঁফালে দিয়া আছে। বিচাৰি উলিয়াই কাঁড় চিনেৰে মিলোৱা।**

| | |
|---|---|
| • কাঁহৰ বাচন গঢ়া স্থান | ঢেঁকী-শাল |
| • লোৰ সঁজুলি গঢ়া স্থান | জুইশাল (জুহাল) |
| • কাপোৰ বোৱা যতন | কঁহাৰশাল |
| • ঢেঁকী ৰখা ঘৰ | তেলী-শাল |
| • সদায় জুই ধৰা ঠাই | তাঁত-শাল |
| • সৰিয়হ পেৰা যতন | কমাৰশাল |

**বাক্য ৰচনা কৰা।**

| | | | |
|---|---|---|---|
| খা-খবৰ | খা-খবৰ কৰ | খা-খবৰ ল | খা-খবৰ ৰাখ |
| হাত-মুখ | হাত-মুখ ধো | টকা-পইচা | ধন-সোণ |

**জানো আহা**

এই বটাখন **চাইছোঁ**।

বটাখন মোৰ ভাল **লাগিছে**।

এইখন বটা **নহয়**।

ওপৰৰ প্ৰথম বাক্যৰ **চাইছোঁ** পদটোৱে চোৱা কাৰ্যটো হোৱা বুজাইছে। সেইদৰে দ্বিতীয় বাক্যত **লাগিছে** পদটোৱে ভাল লগা কাৰ্যটো হোৱা বুজাইছে আৰু তৃতীয় বাক্যটোত **নহয়** পদটোৱে সেইখন যে বটা নহয় তাক বুজাইছে। এনেদৰে যিবোৰ পদে কোনো কাম কৰা, হোৱা বা নোহোৱা বুজায় তাক **ক্ৰিয়া পদ** বুলি কোৱা হয়। যেনে— চৰাইৰ দুখন ডেউকা **আছে**। তাৰে সিহঁত **উৰে**। উৰাজাহাজৰো পাখি **আছে**। কিন্তু ইয়াৰ চৰাইৰ দৰে প্ৰাণ **নাই**।

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**কাষৰ বাকচৰ পৰা ক্ৰিয়া পদ আনি তলৰ বাক্যকেইটা পূৰ কৰা।**

- মই ভাত ________
- ৰীণা সদায় স্কুললৈ ________
- আমটো মিঠা ________
- মইনাই ভালকৈ ________
- ৰহিমৰ দাদাক ডিব্ৰুগড়ত ________
- আমাৰ এখন খেলপথাৰ ________

| | |
|---|---|
| থাকে | আছে, |
| যায়, | নহয়, |
| নাচে, | খাওঁ, |

**তলৰ বাক্যকেইটাৰ ক্ৰিয়া পদত আঁচ টানা।**

- অম্লান আৰু অনন্যা পেহীয়েকৰ ঘৰলৈ আহিছে।
- ফৰিংফুটা জোনাকত আধাফুলা শেৱালি ফুলবোৰ জিলিকি উঠিছে।
- অম্লান আৰু অনন্যা পেহাকৰ লগত আগ চোতালতে বহিল।
- এনেতে পেহীয়েকে আটাইকে ভাত খাবলৈ মাতিলে।
- অম্লানহঁতক পেহাকে কঁহাৰশাললৈ লৈ গ'ল।

## গ— জ্ঞান সম্প্ৰসাৰণ

**কাঁহ শিল্প অসমৰ এবিধ লেখত ল'বলগীয়া কুটীৰ-শিল্প। অসমৰ আন কেইটামান কুটীৰ-শিল্পৰ নাম লিখা।**

________ ________ ________

________ ________ ________

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



তোমালোকৰ ঘৰত কাঁহৰ বাহিৰে আন কি কি ধাতুৰে তৈয়াৰ কৰা বাচন-বৰ্তন আছে? সেইবোৰৰ তালিকা কৰা।

______________ ______________ ______________

______________ ______________ ______________

______________ ______________ ______________



ছবিৰ সৈতে মিলাই নাম লিখা।

বটা, লোটা, বান-কাঁহী,
বান-বাটি, গিলাচ, কলহ








☛ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## জানো আহা

এতিয়ালৈ

ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত কাঁহ শিল্পীসকল

- ধনেশ্বৰ বৰ্মন
- ভগৱান ডেকা
- হৰেশ্বৰ ডেকা

অসম চৰকাৰৰ পৰা শিল্পী পেঞ্চন পোৱা কাঁহ শিল্পীসকল

- হৰেন্দ্ৰ নাথ ডেকা
- কল্প নাথ ভূঞা
- কুঁহিৰাম ডেকা
- মৃগেন পাঠক

- পুষ্পৰাম তামুলীয়ে কৃষক বিদ্ৰোহত আগ-ভাগ লোৱা বাবে কাৰাবাস খাটিছিল। কাৰাগাৰত গড়শাল পাতি তেওঁ জেলৰ বাবে কাঁহী আৰু বাটি গঢ়াই ইংৰাজৰ পৰা ভূয়সী প্ৰশংসা পাইছিল।
- নামশালা গাঁৱৰ হেমকান্ত ভূঞা কাঁহৰ ডগডগী লোটা গঢ়োৱা এগৰাকী বিখ্যাত কঁহাৰ আছিল। ঠাই বিশেষে ডগডগী লোটাক ডুগডুগী লোটাও বোলা হয়।
- সৰ্থেবাৰীৰ ওচৰৰ বণিয়াকুছি আৰু হালধিবাৰী পিতলৰ শৰাই গঢ়োৱাৰ বাবে বিখ্যাত।

### ঘ— প্ৰকল্প

- **তোমালোকৰ অঞ্চলৰ ওচৰে-পাঁজৰে থকা যিকোনো এটা কুটীৰ-শিল্প প্ৰতিষ্ঠানলৈ অভিভাৱকৰ সৈতে যোৱা আৰু ইয়াৰ কাম-কাজবিলাক নিৰীক্ষণ কৰি চমুকৈ এটি টোকা লিখা।**



*পাঠৰ পৰা বা অন্য কিতাপৰ পৰা শ্ৰুতলিপি দিব।*